# প্ৰতিবাদৰ অধিকাৰ

দিনাংক - ২৫ জানুৱাৰী ২০১৪

অৰুণ জেটলী

ৰাজ্যসভাৰ বিৰোধী দ'লৰ নেতা

শান্তিপূৰ্ণ প্ৰতিবাদ আইনগত ৰাজনৈতিক কাৰ্য্যৰ এটি অংগ। প্ৰতিবাদ এক প্ৰকাৰৰ অভিব্যক্তি । অসন্দেহিতভাৱে প্ৰত্যেক জনসাধাৰণৰ ভিন্ন মতা-মত ৰখাৰ অধিকাৰ আছে, প্ৰতিবাদ ভিন্ন মতামতৰ এটা স্বৰূপ । নিৰ্বাচিত চৰকাৰৰ মুৰব্বীৰ এই অধিকাৰ নাই নে ? দিল্লী মুখ্য মন্ত্ৰীয়ে এই প্ৰশ্ন উত্থাপন কৰিছে । নিৰ্বাচিত চৰকাৰ আৰু ইয়াৰ মুৰব্বীৰ সংবিধান অনুসৰি কাৰ্য্য কৰা দায়িত্ব আছে । আমি যদি দিল্লীৰ আম আদমী পাৰ্টিৰ চৰকাৰৰ কাৰ্য্যক প্ৰশ্ন কৰো তেন্তে হয়তো উত্তৰ পাম যে, এই কাৰ্য্যৰ প্ৰমাণৰ কোনো প্ৰয়োজন নাই । মন্ত্ৰীসকলে সচীবালয়ক পৰিত্যক্ত অৱস্থাত ৰাখিছিল । তেওঁলোকে প্ৰবেশ নিশেধৰ ঠাইত পুলিচৰ বিৰুদ্ধে প্ৰতিবাদ কৰি আইন ভংগ কৰিছিল । তেওঁলোকে নিজৰ সমৰ্থকৰ বৃহৎ ভাৱে একগোট হ'বলৈ আহ্বান জনাইছিল । তেওঁ লোকৰ কৰ্মকৰ্ত্তাই পুলিচৰ বেৰিকেট ভঙাৰ চেষ্টা কৰিছিল । চৰকাৰৰ মুৰব্বীয়ে অৰাজকতাৰ হকে ভাষণ প্ৰদান কৰিছে । পুলিচক চুটিত যোৱা আৰু পুলিচৰ সাজ এৰি প্ৰতিবাদত যোগ দিয়াৰ আহ্বান জনইছিল । ৰাজপথত কাৰ্য্যকৰ্ত্তাৰ সৈতে প্ৰতিবাদ কৰা আৰু গণৰাজ্য দিৱসত বাধা প্ৰদান কৰাৰ ভাবুকি দিছিল । পুলিচে যদি নিজৰ দায়িত্ব সামৰি কাৰ্য্যকৰ্ত্তাৰ লগত গণৰাজ্য দিৱসৰ দিনা প্ৰতিবাদ কৰিলেহেতেন তেনে সহজতে ক'ব পৰা গ'ল হয় যে তেওঁলোক সংবিধানৰ অন্তৰ্গত দায়িত্ব পালন কৰিছে । কিন্তু আচলঅৰ্থত এই প্ৰশ্নৰ উত্তৰ নহয়েই হ'লহেতেন ।

ৰাজঘাটত অনশনত বহা আৰু পুলিচ বিষয়াক নিজৰ দায়িত্ব এৰোৱাই গণৰাজ্য দিৱসত বাধা প্ৰদান কৰোৱাৰ মাজত বহুতো প্ৰাৰ্থক্য আছে । মই আশাবাদী যে শ্ৰীযুত অৰবিন্দ কেজৰিৱালে ইয়াৰ অনুভৱ কৰিব ।